# নিকানোৰ পাৰাৰ কবিতা

## অনু: ড০ কল্যাণ ভূঞা

**ইউ এছ এ**

য'ত স্বাধীনতা
এটা মূৰ্তি।

যদি ফিডেল পক্ষপাতহীন হ'লহেঁতেন
তেওঁ বিশ্বাস কৰিলেহেঁতেন মোক
যিদৰে মই বিশ্বাস কৰোঁ তেওঁক :
ইতিহাসে মাৰ্জনা কৰিব মোক

এই সপ্তাহত তৃতীয়বাৰৰ বাবে
এজনী পাৰই
মোৰ ওপৰত মলত্যাগ কৰিছিল
ভগৱানক ধন্যবাদ
গৰুৰ যে পাখি নাই

দুগৰাকী নাৰীৰ মাজত
আপুনি ভাল পাব তেওঁক
যাৰ অস্তিত্ব নাই

প্ৰতি এহেজাৰজন চিলিবাসীৰ মাজত
এজন মৰে শোকত

কেতিয়াও কোনেও দেখা নাই
এজন মৃত আৰক্ষী
পৰি থকা ৰাস্তাত–
তাৰমানে
আৰক্ষীসকল মৰে বিছনাত–
যাৰ ঠিকেই আছে মূৰ
তেওঁলোকে নকয়, তেওঁলোক অমৰ

**ইমান হুটা হোৱাৰ বাবে দুঃখিত জেনেৰেল**

আপোনাৰ বেৰেটত থকা তৰাটোও আনকি
মোৰ ভুৱা যেন লাগে–
অথচ মোৰ গালেৰে দুধাৰি চকুলো বৈ আহে

পখিলা :
আপুনি পাখিবোৰ উভালি পেলাব লাগিব
ই কেনেকৈ উৰে চাবলৈ

জীয়াই থাকিবলৈ দণ্ডিত
কোনেও নৰচা এখন পৃথিৱীত–
য'ত কেৱল মৰণহে অনুমোদিত

**ড° কল্যাণ ভূঞা** এগৰাকী কবি আৰু অনুবাদক। *গৰু আৰু অন্যান্য কবিতা*তেওঁৰ প্ৰকাশিত কবিতা-সংকলন।